**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-02-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। অসমে শক্তি সুৰক্ষাৰ ক্ষেত্ৰত সুকীয়া ধাৰা প্ৰৱৰ্তন কৰিছে আৰু অনাগত সময়ত এই খণ্ডত ৰাজ্যখনৰ ভূমিকা বৃদ্ধি পাব বুলি কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে প্ৰকাশ কৰিছে।

২। আকাশবাণীয়ে জনসেৱা প্ৰচাৰৰ মাধ্যম হিচাপে দেশৰ সংস্কৃতিৰ সৈতে জনসাধাৰণক পৰিচয় কৰাই দিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে বুলি প্ৰচাৰ ভাৰতীৰ অধ্যক্ষ নৱনীত সেহগলে উল্লেখ কৰিছে।

৩। আজি মহা শিৱৰাত্ৰি। দেশৰ বিভিন্ন প্ৰান্তত এই উপলক্ষে আজি দেৱাদিদেৱ মহাদেৱৰ আৰাধনা কৰা হৈছে।

৪। বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা উৰুগুৱে, বাহামাছ, বাৰবাডোছ আৰু নিকাৰাগুৱাৰ ৯ দিনীয়া ভ্ৰমণসূচীৰে পৰহিলৈ ৰাওনা হ'ব।

আৰু

৫। ইংলেণ্ড আজি লাহোৰত হ'বলগীয়া আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ বিৰ এখন খেলত আফগানিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooooo

অসমে শক্তি সুৰক্ষাৰ ক্ষেত্ৰত সুকীয়া ধাৰা প্ৰৱৰ্তন কৰিছে আৰু অনাগত সময়ত এই খণ্ডত ৰাজ্যখনৰ ভূমিকা বৃদ্ধি পাব বুলি কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে প্ৰকাশ কৰিছে। গুৱাহাটীত অনুষ্ঠিত উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন দ্বিতীয় এডভাণ্টেজ আছামৰ আজি দ্বিতীয় দিনা অসমৰ শক্তি সম্ভাৱনাৰ পূৰ্ণ ব্যৱহাৰ ঃ ভৱিষ্যতৰ বাবে প্ৰস্তুত তেল আৰু গেছ আন্তঃগাঁথনি নিৰ্মাণ, উদ্ভাৱন আৰু বিনিয়োগ সম্পৰ্কীয় বিষয়ভিত্তিক সত্ৰত অংশ লৈ মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। এই সত্ৰৰ অংশ হিচাপে উদ্যোগপতি আৰু উদ্যমীসকলৰ এটা বৃহৎ সমাবেশত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতৰ দৰে অৰ্থব্যৱস্থাৰ কাৰণে শক্তিৰ উপলব্ধ উৎসসমূহ ব্যৱহাৰ কৰাটো অতিকে গুৰুত্বপূৰ্ণ। সেউজ হাইড্ৰ'জেনক ভৱিষ্যতৰ ইন্ধন আৰু ৰূপান্তৰকাৰী বুলি অভিহিত কৰি শ্ৰী পুৰীয়ে কয়, যে সেউজ হাইড্ৰ'জেনৰ মূল্য হ্ৰাস কৰিব পাৰিলে ই শক্তি ব্যৱহাৰৰ প্ৰেক্ষাপট সলনি কৰিব। জৈৱ ইন্ধন মিশ্ৰণৰ সন্দৰ্ভত শ্ৰী পুৰীয়ে কয়, যে প্ৰথম অৱস্থাত ২০৩০ চনৰ ভিতৰত পৰম্পৰাগত ইন্ধনৰ সৈতে ২০ শতাংশ জৈৱ ইন্ধন মিহলি কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছিল যদিও এতিয়া এই সময়সীমা ২০২৫ চনলৈ আগুৱাই অনা হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে অসমৰ ভাৰতীয় তেল নিগম লিমিটেডৰ চৌহদত পৌৰ আৱৰ্জনাৰ পৰা জৈৱ ইন্ধন উৎপাদনৰ বাবে সুকীয়া গৱেষণা শাখা স্থাপনৰ কথা ঘোষণা কৰে। এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনত আজি কেইবাখনো বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। ৰাজ্য চৰকাৰ আৰু ষ্টাৰ চিমেণ্ট লিমিটেডৰ মাজত সম্পাদিত চুক্তি অনুযায়ী কোম্পানীটোৰ অধীনৰ ষ্টাৰ চিমেণ্ট নৰ্থ-ইষ্ট লিমিটেডে ৩ হাজাৰ ২০০ কোটি টকা বিনিয়োগেৰে অসমত চিমেণ্ট ক্লিংকাৰ আৰু গুড়ি কৰা প্ৰকল্প স্থাপন

কৰিব। একেদৰে ৰাজ্য চৰকাৰ আৰু গ্ল’বেল হেল্থ লিমিটেড মেডান্তাই আজি ৫০০ কোটি টকা ব্যয়েৰে বিভিন্ন ৰোগৰ চিকিৎসাৰ বাবে এখন অত্যাধুনিক মাল্টিস্পেচিয়েলিটী হস্পিটেল স্থাপনৰ বাবে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। ৰাজ্য চৰকাৰ আৰু মেথ্‌চন হাইড্ৰ’গ্ৰীণ প্ৰাইভেট লিমিটেডৰ মাজত এহেজাৰ ৫০০ কোটি টকা ব্যয়সাপেক্ষে অসমত এটা বছৰি ৯৫ কিলো টন উৎপাদন ক্ষমতাসম্পন্ন হাইড্ৰ’জেন আৰু ষ্টিম উৎপাদন প্ৰকল্প স্থাপনৰ বাবে চুক্তি সম্পাদিত হয়।

oooooooo

প্ৰচাৰ ভাৰতীৰ অধ্যক্ষ নৱনীত সেহগলে কয়, যে আকাশবাণীয়ে জনসেৱা প্ৰচাৰৰ মাধ্যম হিচাপে দেশৰ সংস্কৃতিৰ সৈতে জনসাধাৰণক পৰিচয় কৰাই দিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। মহাকুম্ভৰ আজি অন্তিম দিনটোত শ্ৰী সেহগলে কয়, যে আকাশবাণীৰ কুম্ভবাণী চেনেলে ইয়াৰ ৪৮ দিনীয়া প্ৰচাৰ কাৰ্যসূচীত দেশৰ বৃহৎ সংখ্যক জনসাধাৰণক সামৰি লৈছে। তেওঁ লগতে কয়, যে এই চেনেলটোৱে প্ৰয়াগৰাজলৈ নহা লোকসকলৰ সৈতেও মহাকুম্ভৰ অভিজ্ঞতা ভগাই ল’বলৈ সমৰ্থ হৈছে। শ্ৰী সেহগালে বৈচিত্ৰৰ মাজত একতাৰ যি প্ৰতিফলন মহাকুম্ভত দেখা গৈছিল, সেয়া আকাশবাণীয়ে সাধাৰণ লোকৰ লগতে ভক্ত, সন্ত আদি সকলো শ্ৰোতাৰ বাবে প্ৰচাৰ কৰিছে।

ooooooooo

আজি মহা শিৱৰাত্ৰি। দেশৰ বিভিন্ন প্ৰান্তত এই উপলক্ষে আজি দেৱাদিদেৱ মহাদেৱৰ আৰাধনা কৰা হৈছে। ইয়াৰ বাবে শিৱ মন্দিৰসমূহ সজাই পৰাই তোলা হৈছে। উত্তৰ প্ৰদেশৰ বাৰানসীৰ কাশী বিশ্বনাথ ধামৰ লগতে আন আন শিৱ মন্দিৰসমূহত আজি পুৱাৰে পৰা ভগৱান শিৱৰ জলাভিশেষ কৰা হৈছে। মহাশিৱৰাত্ৰি উপলক্ষে কাশীত বিশেষ আয়োজন কৰা হৈছে। একেদৰে গুজৰাটৰ প্ৰসিদ্ধ সোমনাথ মহাদেৱ মন্দিৰত পুৱা ৪ বজাৰে পৰা শিৱৰাত্ৰি উপলক্ষে ভক্তৰ সমাগম ঘটিছে।

শিৱ ৰাত্ৰি উপলক্ষে অসমৰ শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল, তেজপুৰৰ মহাভৈৰৱ, গুৱাহাটীৰ শুক্ৰেশ্বৰ মন্দিৰ, পামহিৰ ভীমাশংকৰ মন্দিৰ, সোমনাথ মন্দিৰ, নগাঁৱৰ মৃত্যুঞ্জয় মন্দিৰ, ঢেকীয়াজুলিৰ বাবা গুপ্তেশ্বৰ দেৱালয়, হলেশ্বৰ দেৱালয়, ন-দুৱাৰ সমষ্টিৰ নাগশংকৰ দেৱালয়, নেঘেৰীটিঙকে ধৰি বিভিন্ন স্থানত আশুতোষৰ আৰাধনাৰ বাবে ভক্তসকলে ভিৰ কৰা পৰিলক্ষিত হৈছে। ৰাজ্যৰ অন্যান্য প্ৰান্তৰ শিৱমন্দিৰসমূহো পূজাৰ বাবে সজাই পৰাই তোলা হৈছে। শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল প্ৰাংগণত মহা শিৱৰাত্ৰি পূজা আৰু মেলা কালিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। জিলা প্ৰশাসনে এই পূজা আৰু মেলা নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। অগণন লোকৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি অঞ্চলটোত শিৱৰাত্ৰি উদযাপন সমিতিয়ে চি চি টিভি কেমেৰা সংস্থাপন কৰিছে। কালি দিনৰ ভাগত উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হয়।

গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত শিৱপূজা চলি আছে। জিলাখনৰ ঐতিহাসিক পাগলাৰটেক শিৱ মন্দিৰত কালিৰে পৰা চাৰিদিনীয়াকৈ বিস্তৃত কাৰ্যসূচীৰে শিৱৰাত্ৰি পালন কৰা হৈছে। কালি অধিবাসৰ জৰিয়তে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। প্ৰবাদ অনুসৰি চান্দ সদাগৰৰ দিনৰ পৰা এই মন্দিৰত শিৱপূজা চলি আহিছে। বৰপেটা জিলাৰ বিভিন্ন শিৱমন্দিৰত ধৰ্মীয় পৰম্পৰাৰে আজি শিৱৰাত্ৰি পালন কৰা হৈছে। হাউলী সাৰ্বজনীন শিৱ মন্দিৰত আজিৰে পৰা তিনিদিনীয়াকৈ মহা শিৱৰাত্ৰি পূজাৰ আয়োজন কৰা হৈছে। সৰভোগৰ কামাৰগাঁও শিৱ মন্দিৰতো তিনিদিনীয়াকৈ পূজাৰ আয়োজন কৰা হৈছে। একেদৰে ঐতিহাসিক শিঙৰীৰ

গুপ্তেশ্বৰ দেৱালয়, দক্ষিণ বজালীৰ জালিখাটাৰ কলিবাৰী শ্ৰীশ্ৰী শিৱ থান, হাজোৰ শ্ৰীশ্ৰী হৰগৌৰী মন্দিৰকে ধৰি বিভিন্ন স্থানত শিৱৰাত্ৰি পূজাৰ আয়োজন কৰা হৈছে।

00000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহা শিৱৰাত্ৰি উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে দেৱাদিদেৱ মহাদেৱে সকলো নাগৰিক আৰু দেশৰ উন্নতিৰ বাবে আশীৰ্বাদ আগবঢ়োৱাৰ বাবে প্ৰাৰ্থনা জনায়।

উপ-ৰাষ্ট্ৰপতি শ্ৰী ধনখড়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত শিৱৰাত্ৰি আত্মবিশ্বাস আৰু আধ্যাত্মিক সচেতনতাৰ প্ৰতীক বুলি অভিহিত কৰি এই উৎসৱে জ্ঞান, ধৈৰ্য্য আহৰণত উৎসাহ যোগায় বুলিও মন্তব্য কৰে। ভগৱান শিৱৰ আশীৰ্বাদে দেশক উন্নতিৰ পথলৈ আগবঢ়াই নিয়াৰ লগতে সমৃদ্ধিশালী কৰি তুলিব বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই পবিত্ৰ উৎসৱে দেশৰ জনসাধাৰণলৈ সুখ, সমৃদ্ধি আৰু সুস্বাস্থ্য কঢ়িয়াই আনিব বুলিও আশা প্ৰকাশ কৰে। এই উৎসৱে শক্তিশালী ভাৰত গঢ়াৰ সংকল্পত সহায় কৰিব বুলিও প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

000000000

শিৱৰাত্ৰি উপলক্ষে ত্ৰিবেণী সংগমত পবিত্ৰ স্নান সম্পন্ন কৰি ঘৰলৈ উভতি অহা মহাকুম্ভৰ ভক্তসকলৰ সুবিধাৰ্থে ৰে'ল বিভাগে আজি পুৱা চাৰে ৯ বজালৈকে প্ৰয়াগৰাজৰ বিভিন্ন ষ্টেচনৰ পৰা ১১৫ খন ৰে'লগাড়ী চলাচল কৰাইছে। ৰে'ল মন্ত্ৰালয়ে কৈছে যে এই ৰে'লগাড়ী সমূহেৰে প্ৰায় ৬ লাখ ভক্তই যাত্ৰা কৰিছে। মন্ত্ৰালয়ে কৈছে যে মহা শিৱৰাত্ৰিৰ স্নানৰ পাছত অতিৰিক্ত ৰে'লগাড়ী চলাচল কৰোৱাৰ বাবে বিশেষ ব্যৱস্থা কৰা হৈছে আৰু প্ৰয়াগৰাজৰ সমীপত অতিৰিক্ত ডবা সাজু কৰি তোলা হৈছে। ৰে'ল বিভাগে আজি প্ৰয়াগৰাজৰ পৰা ৩৫০ খনৰো অধিক ৰে'লগাড়ী চলাচল কৰাব। ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু ৰে'ল ব'ৰ্ডৰ অধ্যক্ষ সতীশ কুমাৰে ভক্তসকলৰ সুবিধাৰ্থে আৰম্ভ কৰা এই বিশেষ ৰে'ল সেৱা সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে।

000000000

বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা উৰুগুৱে, বাহামাছ, বাৰবাডোছ আৰু নিকাৰাগুৱাৰ ৯ দিনীয়া ভ্ৰমণসূচীৰে পৰহিলৈ ৰাওনা হ'ব।

উৰুগুৱে ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে দেশখনৰ নৱ-নিৰ্বাচিত ৰাষ্ট্ৰপতি য়ামাণ্ডু অ'ৰছিৰ শপত গ্ৰহণ অনুষ্ঠানত ভাৰতক প্ৰতিনিধিত্ব কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই ভ্ৰমণে উৰুগুৱেৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰিবলৈ ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাকে সূচাইছে।

পৱিত্ৰ মাৰ্ঘেৰিটাৰ বাহামাছ ভ্ৰমণে যোৱা বছৰ নৱেম্বৰত গুয়ানাত অনুষ্ঠিত দ্বিতীয় ভাৰত-কেৰিক'ম শীৰ্ষ সন্মিলনৰ সময়ত ভাৰত আৰু বাহামাছৰ প্ৰতিনিধিবৰ্গৰ মাজত হোৱা আলোচনাক আগুৱাই লৈ যাব। দুয়োখন দেশৰ মাজৰ বৰ্তমানৰ সম্পৰ্ক অধিক সুদৃঢ় কৰা আৰু সহযোগিতাৰ নতুন ক্ষেত্ৰৰ অন্বেষণ মন্ত্ৰীগৰাকীৰ এই যাত্ৰাৰ মূল উদ্দেশ্য বুলি কোৱা হৈছে।

বাৰবাডোছ ভ্ৰমণকালত শ্ৰী মাৰ্ঘেৰিটাই সফল ভাৰত-কেৰিক’ম শীৰ্ষ সন্মিলনৰ পাছত দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰিব আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হৈ সন্মানীয় অৰ্ডাৰ অব্ ফ্ৰীডম অব্ বাৰবাডোছ সন্মান গ্ৰহণ কৰিব। ভাৰত-কেৰিক’ম শীৰ্ষ সন্মিলনৰ সময়ত এই সন্মান ঘোষণা কৰা হৈছিল।

এই ৯ দিনীয়া ভ্ৰমণৰ অন্তিম পৰ্যায়ত মন্ত্ৰীগৰাকী নিকাৰাগুৱালৈ যাব। তাত তেওঁ কেইবাখনো দ্বিপাক্ষিক বৈঠকত ভাগ ল’ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ তৰফৰ পৰা এয়া প্ৰথম মন্ত্ৰী পৰ্যায়ৰ নিকাৰাগুৱা ভ্ৰমণ হ’ব। বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰীগৰাকীয়ে এই চাৰিদেশীয় ভ্ৰমণকালত দেশ কেইখনৰ বিদেশ মন্ত্ৰীসকলৰ সৈতে বৈঠকত মিলিত হ’ব আৰু ৰাজনীতি, ব্যৱসায় আৰু উদ্যোগ জগতৰ বিশিষ্ট ব্যক্তি আৰু দেশকেইখনত বাস কৰা প্ৰবাসী ভাৰতীয়সকলৰ সৈতে আলোচনাত মিলিত হ’ব। শ্ৰী মাৰ্ঘেৰিটাই ভ্ৰমণকালত দ্বিপাক্ষিক উন্নয়ন সহযোগিতা প্ৰকল্পৰ স্থলীসমূহো পৰিদৰ্শন কৰিব।

ooooooooo

তামিলনাডুৰ কৰুৰ জিলাৰ কুলিথলাইত আজি নিচেই পুৱা হোৱা এটা পথ দুৰ্ঘটনাত ৫ জন লোকে প্ৰাণ হেৰুৱায়। কৰুৰ-ট্ৰিচি ঘাইপথত এখন বাহনে এখন বাছত খুন্দা মৰাৰ ফলত এই অঘটনটো ঘটে। দুৰ্ঘটনাত বাহনখনৰ আটাইকেইজন আৰোহী নিহত হয়।

ooooooooo

ইংলেণ্ড আজি লাহোৰৰ গাড্ডাফি ষ্টেডিয়ামত হ’বলগীয়া আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ বিৰ এখন খেলত আফগানিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হ’ব। আজিৰ এই মৰণপণ খেলত পৰাজিত হোৱা দলটো প্ৰতিযোগিতাৰ পৰা বাহিৰ হ’ব। নিজৰ প্ৰথমখন খেলত পৰাভূত হোৱা দুয়োটা দল গ্ৰুপ বিৰ পইণ্ট তালিকাৰ অন্তিম স্থানত আছে।

ooooooo

সমাপ্ত